بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**৭ আৰু ৮ হিজৰী চনৰ কিছুমান যুদ্ধ আৰু অভিযানৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনী**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৫ এপ্ৰিল ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আঁহজৰত (ছাঃ)ৰ যুগৰ বিভিন্ন অভিযানৰ বৰ্ণনা চলি আছে। ইয়াৰ মাজত এটা অভিযান গালিব বিন আব্দুল্লাহ ফিদকৰ উল্লেখ পোৱা যায়। হজৰত বশিৰ বিন ছাআদ (ৰাঃ)য়ে শ্বাবান মাহৰ ৭ হিজৰী তাৰিখত ৩০ জন ব্যক্তিক বনু মুৰৰাৰ ফালে ৰাওনা কৰে। বনু মুৰৰাই বশিৰ বিন ছাআদ (ৰাঃ)ৰ সকলো লগৰীয়াক শ্বহীদ কৰি পেলায়। ৰছুলুল্লাহ (ছাঃ)য়ে যেতিয়া ইয়াৰ সংবাদ পায় তেতিয়া তেখেত (ছাঃ)য়ে জুবেৰ বিন আউৱাম (ৰাঃ)ক সাজু কৰি তেওঁৰ সৈতে দুই শ চাহাবাক ৰাওনা কৰে। এই অভিযানত মুছলমান সকল সফল হয় আৰু যুদ্ধলব্দও লাভ কৰে।

আৰু এটা অভিযান শ্বাজাআ বিন অহব, এই অভিযান ৰবিউল আউৱাল মাহৰ ৮ হিজৰী তাৰিখত সংঘটিত হৈছিল। এই অভিযানৰ বিৱৰণ এনেদৰে পোৱা যায় যে ৰছুলুল্লাহ (ছাঃ)য়ে লগাতাৰ সংবাদ পাই আছিল যে ছি অঞ্চলৰ পৰা বনু হাৱাজনে ইছলামৰ শত্ৰুসকলৰ সহায় কৰি আছে মুছলমান জনজাতিক লুটপাত কৰি হাবিত পলায়ন কৰি আছে। ৰবিউল আউৱাল মাহৰ ৮ হিজৰী তাৰিখে হুজুৰ (ছাঃ)য়ে হজৰত শ্বুজাআ (ৰাঃ)ক ২৪ জন যোদ্ধাৰ সৈতে বনু হাৱাজনক দমন কৰিবলৈ নিযুক্তি দিয়ে। তেওঁক বনু আমিৰও কোৱা হৈছিল। হজৰত শ্বুজাআ মুজাহিদ সকলৰ সৈতে ৰাতি যাত্ৰা কৰিছিল আৰু দিনত লুকাই থাকিছিল ইমানে যে হঠাতে পুৱাৰ সময়ত বনু আমিৰৰ সন্মুখত গৈ

উপস্থিত হৈ তেওঁলোকৰ ওপৰত আক্ৰমণ কৰি দিয়ে। হজৰত শুজাআই নিজৰ যোদ্ধা সকলক নিৰ্দেশ দিছিল যে তেওঁলোকক ঘেৰাও নকৰিব। তেওঁলোকে বহুত উট আৰু ছাগলী পায়, সেইবোৰক খেদি খেদি মদিনালৈ লৈ আহি যুদ্ধলব্দৰ বস্তুক ভাগ কৰে। ইয়াৰ মাজৰ প্ৰতিজন ব্যক্তিয়ে পোন্ধৰটাকৈ উট পায়। এই অভিযান পোন্ধৰ দিন চলিছিল।

ইয়াৰ পিছত এটা অভিযান কাআব বিন উমেৰ গাফ্‌ফাৰিৰ উল্লেখ পোৱা যায়, এই অভিযান ৰবিউল আউৱাল মাহৰ ৮ হিজৰীত হৈছিল। তেখেত (ছাঃ)য়ে হজৰত কাআব বিন উমেৰ গাফ্‌ফাৰি (ৰাঃ)ৰ নেতৃত্বত পোন্ধৰজন চাহাবাক জাতে ইতলাহৰ ফালে ৰাওনা কৰে যি ওৱাদিল কুৰাৰ পিছফালে অৱস্থিত আছিল; যেতিয়া তেওঁলোকে জাতে ইতলাহৰ কাষ চাপে তেতিয়া এজন গুপ্তচৰে তেওঁলোকক দেখা পায়; তেওঁ তৎক্ষণাত নিজৰ মানুহক মুছলমান সকলৰ আগবাঢ়ি অহাৰ খবৰ দিয়ে। ইয়াৰ পিছত তেওঁলোকে (শত্ৰুসকলে) বিশাল সেনা বাহিনী প্ৰস্তুত কৰে। চাহাবা (ৰাঃ)য়ে তেওঁলোকক ইছলামৰ ফালে আমন্ত্ৰণ জনায় কিন্তু তেওঁলোকে অস্বীকাৰ কৰে, ইয়াৰ পিছত চাহাবা সকলৰ ওপৰত কাঁড় নিক্ষেপ কৰিব ধৰিলে। ৰছুলুল্লাহ (ছাঃ)য়ে তেওঁলোকৰ এই পদক্ষেপ দেখিলে তেতিয়া প্ৰাণৰ বাজি লগাই তেওঁলোকৰ সৈতে যুদ্ধ কৰিলে ইমানে যে যুদ্ধ কৰি কৰি গোটেই চাহাবাসকল শ্বহীদ বৰণ কৰে। সেই চাহাবা সকলৰ মাজৰ কেৱল এজন চাহাবা আঘাতপ্ৰাপ্ত হৈ তাৰ পৰা বাচি গৈছিল। এটা বৰ্ণনা অনুসৰি সেই চাহাবা জন আছিল হজৰত কাআব বিন উমেৰ। লিখিছে যে যেতিয়া ৰাতি ঠাণ্ডা হয় তেতিয়া তেওঁ আৰোহীৰ ওপৰত আৰোহণ কৰি ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত গৈ উপস্থিত হৈ তেখেত (ছাঃ)ক এই ঘটনাৰ সংবাদ দিয়ে। তেখেতে এই খবৰ পাই বৰ দুঃখ পাইছিল। আঁহজৰত (ছাঃ)য়ে সেই সময়তে তেওঁলোকৰ ফালে এটা সেনা বাহিনীৰ দল পঠোৱাৰ ইচ্ছা কৰে; কিন্তু তেখেত (ছাঃ)য়ে জানিব পাৰে যে লোকসকল তাৰ পৰা গুচি গৈছে সেই কাৰণে তেখেত (ছাঃ)য়ে এই সিদ্ধান্ত স্থগিত কৰি দিয়ে।

জমাদিল উলা মাহৰ ৮ হিজৰীত বা চেপ্তেম্বৰ ৬২৯ হিজৰীত মুতাৰ যুদ্ধ সংঘটিত হয়। মুতা ছিৰিয়া দেশত মদিনাৰ পৰা প্ৰায় ৬০০ মাইল দূৰত্বত অৱস্থিত আছিল। মুছলমান সকলৰ কাছিদ হাৰিছ বিন উমেৰ (ৰাঃ)ৰ নিৰ্মম ভাৱে শ্বহীদ কৰাটো এই যুদ্ধৰ কাৰণ আছিল। এই ঘটনাটোৱে তেখেত (ছাঃ)ক বৰ আঘাত দিছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে ৰছুলুল্লাহ (ছাঃ)য়ে গুচ্ছান গোষ্ঠীৰ নেতা যিজন ৰোম চৰকাৰৰ ফালৰ বছৰাহৰ শাসক আছিল বা তেওঁ নিজেই কেয়ছৰ ৰোমলৈ পত্ৰ প্ৰেৰণ কৰিছিল; সম্ভৱত সেই চিঠিত ৰোমৰ লোকসকলৰ বিষয়ে অভিযোগ আছিল যে তেওঁলোকে মুছলমান সকলৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰে আৰু তেওঁলোকে পোন্ধৰজন মুছলমান সকলক নিৰ্মমভাৱে হত্যা কৰিছে। এই চিঠি হজৰত হাৰিছ (ৰাঃ)ৰ জৰিয়তে প্ৰেৰণ কৰিছিল, তেওঁ মুতা ঠাইত ৰৈ যায় তাতে গুচ্ছান গোষ্ঠীৰ এজন নেতা শ্বৰহাবিলৰ সৈতে সাক্ষাৎ হয়; তেওঁ হজৰত হাৰিছ (ৰাঃ)ক গ্ৰেপ্তাৰ কৰি হত্যা কৰি পেলায়। ৰছুলে কৰিম (ছাঃ)য়ে যেতিয়া হাৰিছ (ৰাঃ)ৰ শ্বাহাদতৰ খবৰ পায় তেতিয়া তেখেত (ছাঃ)য়ে এই ঘটনা আৰু পূৰ্বৰ ঘটনাৰ শাস্তি স্বৰূপ ৩০০০ (তিনি হাজাৰ) সেনা বাহিনী প্ৰস্তুত কৰি জায়েদ বিন হাৰিছক এই দলৰ আমিৰ নিযুক্ত কৰে। তেখেত (ছাঃ)য়ে কয় যে যদি জায়েদ শ্বহীদ বৰণ কৰে তেতিয়া হজৰত জাফৰ বিন আবি তালিব আমিৰ হ'ব, আৰু যদি জাফৰ বিন আবি তালিব শ্বহীদ বৰণ কৰে তেতিয়া হজৰত আব্দুল্লাহ বিন ৰাৱাহা আমিৰ হ'ব, আৰু যদি আব্দুল্লাহ বিন ৰাৱাহা শ্বহীদ বৰণ কৰে তেতিয়া মুছলমান সকলে যাক বিচাৰে আমিৰ নিযুক্ত কৰিব পাৰিব।

নুমান নামৰ এজন ইহুদী তাতে উপস্থিত আছিল, তেওঁ কয় যে হে আবুল কাছিম! যদি আপুনি নবী হয় তেন্তে আপুনি যিসকলৰ নাম লৈছে তেওঁলোক সকলোৱে শ্বহীদ বৰণ কৰিব; ইয়াৰ পিছত সেই ইহুদীজনে হজৰত জায়েদ (ৰাঃ)ক কলে যে জায়েদ ! অচিয়ত কৰি লোৱা। মহম্মদ (ছাঃ)যদি সত্য নবী হয় তেন্তে তোমালোকে উভতি আহিব নোৱাৰিবা। হজৰত জায়েদ (ৰাঃ)য়ে কয় যে মই সাক্ষী দিওঁ যে মহম্মদ (ছাঃ) আল্লাহৰ সত্য নবী হয়। যেতিয়া তেখেত (ছাঃ)য়ে আমিৰ নিযুক্ত কৰি আছিল তেতিয়া হজৰত জাফৰ (ৰাঃ)য়ে কৈছিল যে হে আল্লাহৰ ৰছুল ! মই ধাৰণা কৰা নাছিলো যে আপুনি মোৰ ওপৰত জায়েদক আমিৰ নিযুক্ত কৰিব। তেখেত (ছাঃ)য়ে কলে যে তুমি যোৱা! তুমি নজনা উত্তম কোনটো ?

ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত জায়েদক এখন বগা পতাকা দি নিৰ্দেশনা দিয়ে যে হজৰত হাৰিছ (ৰাঃ)ৰ শ্বাহাদতৰ ঠাইত গৈ লোকসকলক ইছলামৰ ফালে আমন্ত্ৰণ জনাবা যদি তেওঁলোকে ইছলাম গ্ৰহণ কৰে তেন্তে ঠিক আছে নতুবা তেওঁলোকৰ বিৰুদ্ধে আল্লাহ তা'লাৰ পৰা সহায় বিচাৰি যুদ্ধ কৰিবা। ৰছুলুল্লাহ (ছাঃ)য়ে তেওঁলোকক বিদায় দিয়াৰ সময়ত উপদেশ দি কৈছিল যে তোমালোকে আল্লাহৰ প্ৰতি ভয় কৰা, আৰু তোমালোকৰ লগত থকা মুছলমান সকলৰ বাবে মই মঙ্গল কামনা কৰি অচিয়ত কৰো। আল্লাহৰ নাম লৈ আল্লাহৰ অস্বীকাৰী সকলৰ সৈতে যুদ্ধ কৰা। প্ৰতাৰণা নকৰিবা, বিশ্বাসঘতকতা নকৰিবা, কোনো শিশুক হত্যা নকৰিবা, কোনো মহিলা আৰু বয়োজেষ্ঠ সকলক হত্যা নকৰিবা, কোনো খেজুৰৰ গছ নাকাটিবা, আন কোনো গছও নেকাটিবা, কোনো অট্টালিকা ভাঙি নেপেলাবা। ইয়াৰ পিছত সেনাৰ প্ৰমুখজনক কয় যে যেতিয়া তুমি কোনো পৌত্তলিকৰ সৈতে সাক্ষাৎ কৰা তেতিয়া তিনিটা কথাৰ ফালে তেওঁলোকক আমন্ত্ৰণ জনাবা, তেওঁলোকে যদি ইয়াৰ কোনো এটা বিষয়ক মানি লয় তেতিয়া সেয়া গ্ৰহণ কৰি ল'বা আৰু তেওঁলোকক কোনো প্ৰকাৰ কষ্ট নিদিবা। তেওঁলোকক আমন্ত্ৰণ জনাবা যে তেওঁলোকে যেন নিজৰ চহৰৰ পৰা প্ৰব্ৰজন কৰি আন চহৰলৈ গুচি যায়। তেওঁলোকে যদি এয়া গ্ৰহণ কৰি লয় তেন্তে ইয়াৰ পিছত ক'বা যে তেওঁলোকেও মুহাজিৰ সকলৰ দৰে একেই অধিকাৰৰ ভাগীদাৰ। যদি তেওঁলোকে ইয়াক গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে তেতিয়া তেওঁলোকক ক'বা যে বাদিয়াৰ বাসিন্দাৰ মুছলমান সকলৰ ফালে গুচি যাওঁক। তেওঁলোকৰ বাবে সেই নিৰ্দেশনা থাকিব যি মুছলমান সকলৰ বাবে আছে; কিন্তু তেওঁলোক যুদ্ধলব্দ আৰু মালে ফেৰ পৰা কোনো অংশ নাপাব ইমানে যে তেওঁলোকে মুছলমান সকলৰ সৈতে মিলি যুদ্ধ কৰিব। তেওঁলোকে যদি এয়াও অস্বীকাৰ কৰে তেতিয়া তেওঁলোকৰ পৰা জিজিয়া লোৱাৰ দাবী কৰিবা। যদি তেওঁলোকে এইটো মানি লয় তেতিয়া সেয়া গ্ৰহণ কৰি ল'বা আৰু তেওঁলোকক কোনো কষ্ট নিদিবা। যদি তেওঁলোকে এইটো অস্বীকাৰ কৰে তেতিয়া আল্লাহৰ পৰা তেওঁলোকৰ বিৰুদ্ধে সহায় বিচাৰি তেওঁলোকৰ সৈতে যুদ্ধ কৰিবা। তোমালোকে যদি কোনো দুৰ্গ বা চহৰ ঘেৰাও কৰা এনে ক্ষেত্ৰত যদি তেওঁলোকে আল্লাহ আৰু তাৰ ৰছুলৰ বাবে অধীন কৰাৰ ইচ্ছা কৰে তেতিয়া সেয়া আল্লাহ আৰু ৰছুলৰ দায়িত্বত ন্যস্ত নকৰিবা।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে এইটো আল্লাহ তা'লাৰ প্ৰজ্ঞা যে এই ঘটনা তেনেদৰেই সংঘটিত হয়, প্ৰথমে হজৰত জায়েদ (ৰাঃ) শ্বহীদ বৰণ কৰে, ইয়াৰ পিছত হজৰত জাফৰ (ৰাঃ) সেনাৰ দায়িত্ব লয়, তেওঁয়ো শ্বহীদ বৰণ কৰিলে, ইয়াৰ পিছত আব্দুল্লাহ বিন ৰাৱাহা (ৰাঃ) য়ে সেনা সকলৰ দায়িত্ব লয়, তেওঁয়ো শ্বহীদ বৰণ কৰে। সেনাসকলৰ মাজত বিশৃংখলাৰ উপক্ৰম হ'বলৈ

ধৰিছিল তেতিয়া হজৰত খালিদ বিন অলিদ (ৰাঃ)য়ে কিছুমান মুছলমান সকলৰ কোৱা মতে ইছলামৰ পতাকা ধৰি লয় আৰু আল্লাহ তা'লাই তেওঁৰ দ্বাৰা মুছলমান সকলক বিজয় প্ৰদান কৰে, ইয়াৰ পিছত মুছলমান সকলে নিৰাপদে ইছলামী সেনা বাহিনীক উভতাই লৈ আহে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে এই বৰ্ণনা অব্যাহত আছে আৰু আগলৈ অব্যাহত থাকিব। এতিয়া মই এজন শ্বহীদ আৰু কিছুমান মৰহুমিনৰ কথা উল্লেখ কৰিম, আৰু নামাজৰ পিছত তেওঁলোকৰ নামাজে জানাজা গায়েব পঢ়াম।

(১) মাননীয় লায়েক আহমদ চিমা চাহাব মাননীয় চৌধুৰী নজিৰ আহমদ চিমা চাহাবৰ ল'ৰা। তেওঁক ১৮ এপ্ৰিলত কৰাচীত এটা দলে ইটা আৰু শিলেৰে আক্ৰমণ কৰি নিৰ্মমভাৱে শ্বহীদ কৰি দিয়ে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। তেওঁৰ বয়স আছিল ৪৭। শ্বহীদ মৰহুমৰ এখন দোকান আছিল। তেওঁৰ নিষ্ঠা আৰু সততাৰ কাৰণে তেওঁৰ ব্যৱসায় অধিক বিস্তৃত হৈ পৰিছিল। মৃতজন মুচী (অচিয়তকাৰী) আছিল। জামাতৰ এজন সক্ৰিয় কৰ্মকৰ্তা আছিল। নিয়মিত নামাজ ৰোজা পালন কৰিছিল, নামাজে তাজাজ্জুদ পঢ়া ব্যক্তি আছিল, মৰমীয়াল ব্যক্তি আছিল, বৰ সাহসী আৰু অইনকো সাহসী বনাইছিল। খিলাফতৰ সৈতে প্ৰগাঢ় সম্পৰ্ক আছিল, খোতবা গভীৰভাৱে শুনিছিল, জামাতৰ ডিউটি আৰু কোনো মোকৰ্দমাৰ বিষয়ৰ অনুকৰণৰ বাবে সদায় সাজু থাকিছিল। শ্বহীদ বৰণ কৰাৰ দুই দিন আগতে শত্ৰু সকলৰ পক্ষৰ পৰা তেওঁক ভাবুকি দিয়া হৈছিল। কোৰআন কৰিমৰ সৈতে বৰ প্ৰেম আছিল। দুজন স্ত্ৰী আৰু সাতজন সন্তান এৰি গৈছে। ইয়াৰোপৰি ভাই ভনী আছে।

শ্বহীদ মহুহুমৰ কথা উল্লেখ কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আজিও কছুৰৰ এখন গাঁৱত এজন আহমদী যুৱকৰ শ্বহীদ হোৱাৰ সংবাদ পোৱা গৈছে, ইয়াৰ বিৱৰণ এতিয়ালৈকে অহা নাই।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে শত্ৰুসকলৰ বিৰুদ্ধে দোৱা কৰে যে আল্লাহ তা'লা অত্যাচাৰী সকলক অতি সোনকালে গ্ৰেপ্তাৰ কৰক, তেওঁলোকৰ বাবে এয়া ক'ব পাৰো যে

**আল্লাহুম্মা মাজ্জিকহুম কুল্লা মুমাজ্জাকিন ওৱা ছাহহিকহুম তাছহিকান**

(২) মাননীয়া উম্মাতুল মুচাববিৰ নুৰী চাহিবা ডাক্তৰ মাছুদুল হাছান নুৰী চাহাবৰ স্ত্ৰী। মৰহুমা বিগত দিনত মৃত্যু বৰণ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। মৰহুমা হজৰত মিৰ্জা শ্বৰীফ আহমদ চাহাবৰ নাতিনী আৰু হজৰত নৱাব উম্মাতুল হাফিজ বেগম চাহিবাৰ নাতিনী আৰু মিৰ্জা দাউদ আহমদ চাহাবৰ ছোৱালী আছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে মোৰ খুৰাৰ ছোৱালী আছিল। আল্লাহ তা'লাৰ কৃপাত মুচী আছিল, মৰহুমা নামাজ ৰোজা নিয়মিত ভাৱে পালন কৰিছিল, খোদাৰ ওপৰত ভৰসাশীল আছিল, পুণ্য স্বভাৱ, বিভিন্ন ধৰ্মৰ বিষয়ে অধ্যয়ন কৰিছিল, স্বামীৰ আজ্ঞাপালনকাৰী,ধৈৰ্যশীল, ধৰ্মৰ নিষ্ঠাবান খাদিমা আছিল। কোৰআন কৰিমৰ প্ৰতি ভাপলোৱা আছিল, দুখীয়াসকলৰ সহানুভূতি, হজৰত মছীহ মাওউদ (আঃ)ৰ কিতাপৰ অধ্যয়ন কৰিছিল; জীৱন উচ্ছৰ্গাকাৰী সকলক শ্ৰোদ্ধা কৰা মহিলা আছিল।

(৩) মাননীয় হাছান ছানুৰীগু আবু বক্কৰ চাহাব বৰকিনা ফাছুৰ স্থানীয় মুবাল্লিগ। তেওঁ ৬৩ বছৰ বয়সত বিগত দিনত মৃত্যু বৰণ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। মৰহুমে স্থানীয় ভাষাত কোৰআন কৰিমৰ দৰছ দিছিল সেয়া ৰেডিঅত সম্প্ৰচাৰিত হৈছিল। মৰহুমে আল আযহাৰ বিশ্ববিদ্যালয়ৰ পৰা শিক্ষা অৰ্জন কৰিছিল। মৰহুম নিষ্ঠাবান, তবলিগৰ প্ৰতি বৰ উৎসাহ আছিল। সাহসী, ভাল বক্তা,

কোৰআন কৰিমৰ প্ৰতি ভালপোৱা, হাঁহিমুখীয়া মানুহ আছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে দোৱা কৰে যে আল্লাহ তা'লা এনেকুৱা সেৱা আগবঢ়োৱা মানুহ জামাতক সদায় প্ৰদান কৰি থাকক। খোতবাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মৰহুমিন সকলৰ মাগফিৰাত আৰু উচ্চ মৰ্যাদাৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ ۔ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 25 APRIL 2025**

# BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................................

..................................................................................................................................

..................................................................................................................................

**NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB**